



# ব্যষ্টিগত অৰ্থবিজ্ঞান

## দ্বিতীয় খণ্ড

MICROECONOMICS Part II



ৰফিক আহমেদ

# সূচীপত্ৰ


ব্যষ্টি - ১.১ ১ - ৩২

## প্ৰতিষ্ঠান আৰু উদ্যোগ, বজাৰ গাঁথনি আৰু সমতা-ভংগ বিন্দু

❉ ভূমিকা❉প্ৰতিষ্ঠান কি ?❉উদ্যোগ কি ?❉উদ্যোগ আৰু প্ৰতিষ্ঠানৰ সম্পৰ্ক❉বজাৰ কি ?❉থূপ কি ?❉বজাৰ, উদ্যোগ/থূপ আৰু প্ৰতিষ্ঠানৰ সম্পৰ্ক❉বজাৰৰ বৈশিষ্ট্য❉বজাৰৰ পৰিসৰ❉বজাৰ পৰিসৰ নিৰ্ণয় কৰা কাৰক❉বজাৰৰ শ্ৰেণীবিভাজন❉ প্ৰতিষ্ঠানৰ ভাৰসাম্য❉প্ৰতিষ্ঠানৰ লক্ষ্য❉মুঠ মুনাফা সৰ্বাধিকৰণ উদ্দেশ্য❉মুঠ বিক্ৰী আয় সৰ্বাধিকৰণ উদ্দেশ্য❉উৎপাদন ব্যয় নিম্নতমকৰণ উদ্দেশ্য❉দীৰ্ঘকালীন জীৱন লাভৰ উদ্দেশ্য❉বিত্তীয় সুস্থতা আহৰণৰ উদ্দেশ্য❉অৰ্থনৈতিক স্বাৱলম্বিতা আহৰণৰ উদ্দেশ্য❉ভোক্তাৰ সন্তুষ্টি সৰ্বাধিক কৰাৰ উদ্দেশ্য❉প্ৰতিযোগিতাত সফল হোৱাৰ উদ্দেশ্য❉ক্ষতিশংকাৰ অব্যাহতি উদ্দেশ্য❉সন্তুষ্টিকৰণৰ লক্ষ্য❉বিভিন্ন লক্ষ্যৰ মাজত বিৰোধ আৰু পৰিপূৰকতা❉অভিধাৰণা❉ব্যাখ্যা❉মুনাফা সৰ্বাধিকৰণ প্ৰকল্পৰ ভিত্তিত প্ৰতিষ্ঠানৰ ভাৰসমতা নিৰ্ণয়❉মুঠ আয় আৰু মুঠ ব্যয় পদ্ধতি❉প্ৰান্তীয় আয় আৰু প্ৰান্তীয় ব্যয় পদ্ধতি❉উদ্যোগ বা বজাৰৰ ভাৰসাম্য❉বজাৰৰ শ্ৰেণীকৰণ❉পূৰ্ণ প্ৰতিযোগিতা❉অপূৰ্ণ প্ৰতিযোগিতা❉ একাধিকাৰ প্ৰতিযোগিতা❉ বিশুদ্ধ স্বল্প বিক্ৰেতা❉ দ্ৰব্যৰ পৃথকীকৃত স্বল্প বিক্ৰেতা❉একাধিকাৰ বজাৰ❉চাহিদাৰ তিৰ্যক স্থিতিস্থাপকতাৰ ভিত্তিত বজাৰৰ শ্ৰেণীকৰণ❉সমতা-ভংগ বিন্দু❉সমতা ভংগ তালিকা❉সমতা ভংগ বিন্দুৰ ওপৰত দৰ আৰু ব্যয়ৰ প্ৰভাৱ❉যদি পৰিৱৰ্তনশীল ব্যয় সলনি হয়❉যদি স্থিৰ ব্যয় সলনি হয়❉যদি দৰৰ পৰিৱৰ্তন হয়❉দৰ আৰু ব্যয় পৰিবৰ্তনৰ যুগ্ম পৰিণাম❉সমতা ভংগ বিন্দু নিৰূপণত গ্ৰহণ কৰা অভিধাৰণা❉সমতা ভংগ বিন্দু নিৰূপণৰ সুবিধা❉সমতা ভংগ বিন্দু নিৰূপণৰ সীমাবদ্ধতা❉প্ৰশ্নাৱলী

ব্যষ্টি - ১.২ ৩৩ - ৭৮

## দ্ৰব্যৰ বজাৰত দৰ নিৰ্ধাৰণ : পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰ

❉অৰ্থ❉সংজ্ঞা❉বিশুদ্ধ প্ৰতিযোগিতা আৰু পূৰ্ণ প্ৰতিযোগিতাৰ পাৰ্থক্য❉পূৰ্ণ প্ৰতিযোগিতাৰ অধীনত দৰ আৰু উৎপন্ন নিৰ্দ্ধাৰণ:(স্থৈতিক ব্যাখ্যা)❉উদ্যোগৰ ভাৰসাম্য❉দৰ আৰু উৎপন্ন নিৰ্দ্ধাৰণত সময়ৰ ভূমিকা❉প্ৰতিযোগী প্ৰতিষ্ঠানৰ ভাৰসাম্য❉পূৰ্ণপ্ৰতিযোগিতামূলক বজাৰত দৰ

আৰু উৎপন্নৰ সমাযোজন❉প্ৰতিযোগী প্ৰতিষ্ঠানৰ হ্ৰস্বকালীন ভাৰসাম্য❉প্ৰতিযোগী প্ৰতিষ্ঠানৰ দীৰ্ঘকালীন ভাৰসাম্য❉উদ্যোগৰ ভাৰসাম্য❉হ্ৰস্বকালত❉দীৰ্ঘকালত❉বজাৰ দৰ আৰু স্বাভাৱিক দৰ❉বজাৰ দৰ❉স্বাভাৱিক দৰ❉স্বাভাৱিক দৰৰ বৈশিষ্ট্য❉বজাৰ দৰ আৰু স্বাভাৱিক দৰৰ পাৰ্থক্য❉ পূৰ্ণপ্ৰতিযোগী উদ্যোগৰ হ্ৰস্বকালীন যোগান ৰেখা❉ দীৰ্ঘকালীন যোগান ৰেখা❉ ক্ৰমবৰ্দ্ধমান ব্যয় পৰিস্থিতিত❉ স্থিৰ ব্যয় পৰিস্থিতিত❉ ক্ৰমহ্ৰাসমান ব্যয় পৰিস্থিতিত❉হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন যোগান ৰেখাৰ পাৰ্থক্য❉পূৰ্ণ প্ৰতিযোগিতাত দীৰ্ঘকালীন যোগান ৰেখাৰ সন্দৰ্ভত বিৰ্তক❉পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত ব্যয় পৰিবৰ্তনৰ ভাৰসাম্য পৰিণাম❉পৰিবৰ্তনশীল ব্যয় বৃদ্ধি পোৱা অৱস্থাত❉পৰিবৰ্তনশীল ব্যয় বৃদ্ধি পোৱা অৱস্থাত❉ পৰিবৰ্তনশীল ব্যয় হ্ৰাস পোৱা অৱস্থাত❉স্থিৰ ব্যয় বৃদ্ধি পোৱা অৱস্থাত❉পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত কাৰিকৰী প্ৰগতিৰ পৰিণাম❉পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰত কৰৰ পৰিণাম❉লাম্পচাম কৰ আৰোপ❉মুনাফা কৰ আৰোপ❉গোটবিশেষ কৰ আৰোপ❉সম্পদৰ কাম্য বণ্টন❉পূৰ্ণ প্ৰতিযোগিতামূলক বজাৰৰ বাস্তৱ প্ৰাসংগিকতা❉প্ৰশ্নাৱলী

ব্যষ্টি - ২

## বজাৰ ক্ষমতা দখলৰ উপস্থিতিত দৰ নিৰ্ধাৰণ — ৭৯ - ১২৮

❉উপক্ৰমণিকা❉একক বিক্ৰেতা বজাৰ বা একাধিকাৰ বজাৰ❉অৰ্থ❉একচেটিয়া অধিকাৰৰ উৎস❉স্বত্ব সংৰক্ষণ বা পেটেণ্ট❉আৱশ্যকীয় উৎপাদক সামগ্ৰীৰ ওপৰত নিয়ন্ত্ৰণ❉চৰকাৰী পৃষ্ঠপোষকতা লাভ❉উৎপাদনৰ মিতব্যয়িতাৰ সুবিধা বা স্বাভাৱিক একচেটিয়া অধিকাৰৰ ভোগ❉প্ৰতিষ্ঠিত প্ৰতিষ্ঠানৰ বিজ্ঞাপন আৰু গ্ৰাহকৰ আনুগত্য লাভ❉একচেটিয়া বজাৰৰ প্ৰকাৰ❉পৰম বা বিশুদ্ধ একাধিকাৰ বজাৰ❉সৰল একাধিকাৰ বজাৰ❉সবল একাধিকাৰ বজাৰৰ বৈশিষ্ট্য❉ দৰ আৰু উৎপন্ন নিৰ্দ্ধাৰণ❉ অতি হ্ৰস্বকাল বা বজাৰ সময়❉হ্ৰস্বকাল❉দীৰ্ঘকাল❉পূৰ্ণপ্ৰতিযোগিতামূলক বজাৰ বনাম একাধিকাৰ বজাৰ❉ভাৰসাম্য অৱস্থাৰ পাৰ্থক্য❉ দৰ বিভেদীকৰণ❉ অৰ্থ❉ দৰ বিভেদীকৰণৰ মাত্ৰা❉ প্ৰথম মাত্ৰিক দৰ বিভেদীকৰণ❉দ্বিতীয় মাত্ৰিক দৰ বিভেদীকৰণ❉তৃতীয় মাত্ৰিক দৰ বিভেদীকৰণ❉দৰ বিভেদীকৰণৰ প্ৰকাৰ❉দৰ বিভেদীকৰণৰ চৰ্ত❉দৰ বিভেদীকৰণ কেতিয়া লাভজনক হয়?❉দৰ বিভেদীকৰণৰ অধীনত দৰ আৰু উৎপন্ন নিৰূপণ❉সৰল একাধিকাৰ বনাম দৰ বিভেদীকৃত একাধিকাৰ❉দৰ বিভেদীকৰণ সামাজিকভাৱে ন্যায়সংগত হয়নে?❉ একাধিকাৰ নিয়ন্ত্ৰণ❉ একক ক্ৰেতা বজাৰ❉একক ক্ৰেতা শক্তিৰ উৎস❉শ্ৰমৰ বজাৰত একক ক্ৰেতাৰ উপস্থিতি❉একক ক্ৰেতা বনাম পূৰ্ণ প্ৰতিযোগিতা❉একক ক্ৰেতা আৰু একক বিক্ৰেতা বজাৰৰ তুলনা❉স্বাভাৱিক একক বিক্ৰেতা বজাৰ❉স্বাভাৱিক একচেটিয়া শক্তিৰ উৎস❉সৰল একক বিক্ৰেতা বজাৰ আৰু স্বাভাৱিক একক বিক্ৰেতা বজাৰৰ তুলনা❉স্বাভাৱিক একক বিক্ৰেতা বজাৰৰ নিয়ন্ত্ৰণ❉স্বাভাৱিক একক বিক্ৰেতা বজাৰত চৰকাৰী নিয়ন্ত্ৰণ❉দ্বি-পাক্ষিক একাধিকাৰ❉বহু প্ৰকল্প বিশিষ্ট একাধিকাৰ প্ৰতিষ্ঠান❉ একচেটিয়া অধিকাৰ মাত্ৰা❉ সীমাবদ্ধতা❉ Triffin-ৰ জোখ❉ Brain-ৰ জোখ❉Rothchild-ৰ জোখ❉সীমাবদ্ধতা❉প্ৰশ্নাৱলী

ব্যষ্টি - ৩ (ক)

## একাধিকাৰ প্ৰতিযোগিতা বজাৰ — ১২৯ - ১৫৮

❉উপক্ৰমণিকা❉সংজ্ঞা❉বৈশিষ্ট্য❉একাধিকাৰ প্ৰতিযোগিতাত ভাৰসাম্য নিৰ্দ্ধাৰণত থকা সমস্যা❉ একাধিকাৰ প্ৰতিযোগিতাৰ দৰ আৰু উৎপন্ন নিৰ্দ্ধাৰণ ব্যাখ্যা❉হ্ৰস্বকাল❉দীৰ্ঘকাল❉চেম্বাৰলিনৰ গ্ৰুপ ভাৰসাম্য❉প্ৰৱেশৰুদ্ধ অৱস্থাত সমাযোজন❉মুক্ত প্ৰৱেশ অৱস্থাত সমাযোজন❉একাধিকাৰ প্ৰতিযোগিতা আৰু বিক্ৰি ব্যয়❉বিক্ৰিব্যয়ৰ উপস্থিতিত প্ৰতিষ্ঠানৰ ভাৰসাম্য❉বিক্ৰিব্যয়ৰ উপস্থিতিত থুপৰ ভাৰসাম্য ❉দৰ, উৎপন্ন আৰু বিক্ৰি ব্যয়ৰ সমসাময়িক পৰিবৰ্তন❉একাধিকাৰ প্ৰতিযোগিতা বজাৰ আৰু পূৰ্ণপ্ৰতিযোগিতা বজাৰৰ তুলনা❉উৎপাদন প্ৰতিষ্ঠানৰ সংখ্যাৰ পাৰ্থক্য❉উৎপাদিত দ্ৰব্যৰ পাৰ্থক্য❉দ্ৰব্য বিভেদীকৰণৰ উপস্থিতি❉বিক্ৰী ব্যয়ৰ উপস্থিতি❉অনা-দৰ প্ৰতিযোগিতাৰ উপস্থিতি❉একচেটিয়া অধিকাৰৰ উপস্থিতি❉পৰস্পৰ নিৰ্ভৰশীলতাৰ উপস্থিতি❉উদ্যোগৰ ধাৰণাত থকা পাৰ্থক্য❉চাহিদা ৰেখাৰ অনিৰ্ধাৰণীয়তা❉বাস্তৱ সত্যতা❉ভাৰসাম্য অৱস্থাৰ পাৰ্থক্য❉একাধিকাৰ প্ৰতিযোগিতা বজাৰ আৰু একক বিক্ৰেতা বজাৰৰ তুলনা❉একাধিকাৰ প্ৰতিযোগিতা বজাৰ আৰু অৰ্থনৈতিক দক্ষতা❉অৰ্থনৈতিক দক্ষতা কি?❉একাধিকাৰ প্ৰতিযোগিতাত অৰ্থনৈতিক দক্ষতা❉অতিৰিক্ত সামৰ্থৰ উপস্থিতি❉ঋণাত্মক গড় আয় ৰেখাৰ উপস্থিতি❉বণ্টনমূলক দক্ষতাহীনতাৰ উপস্থিতি

ব্যষ্টি - ৩ (খ)

## স্বল্পবিক্ৰেতা বজাৰ — ১৫৯ - ১৮৪

❉অৰ্থ❉বিকাশ❉সংজ্ঞা❉প্ৰকাৰ❉পূৰ্ণ স্বল্পবিক্ৰেতা আৰু অপূৰ্ণ স্বল্পবিক্ৰেতা❉মুক্ত আৰু ৰুদ্ধ স্বল্পবিক্ৰেতা❉ সংঘীয় স্বল্পবিক্ৰেতা আৰু অসংঘীয় স্বল্পবিক্ৰেতা❉ আংশিক আৰু পূৰ্ণ স্বল্পবিক্ৰেতা❉ সংগঠিত আৰু প্ৰতিনিধিত্বমূলক স্বল্পবিক্ৰেতা❉অনমনীয় আৰু নমনীয় স্বল্প বিক্ৰেতা❉স্বল্পবিক্ৰেতা উদ্ভৱ হোৱাৰ কাৰণ❉বৈশিষ্ট্য❉স্বল্প বিক্ৰেতাত দৰ আৰু উৎপন্ন নিৰ্দ্ধাৰণত

থকা অসুবিধা❉ দৰ আৰু উৎপন্ন নিৰ্দ্ধাৰণ❉ স্বতন্ত্ৰ দৰ নিৰ্দ্ধাৰণ❉ কোণীয়া চাহিদা ৰেখাতত্ত্ব❉Sweezy- ৰ ব্যাখ্যা❉Hall আৰু Hitch-ৰ ব্যাখ্যা❉কোণীয়া চাহিদা ৰেখাতত্ত্বৰ সমালোচনা❉সংঘবদ্ধ স্বল্পবিক্ৰেতা❉পূৰ্ণসংঘীয় স্বল্পবিক্ৰেতা❉মুনাফা ভিত্তিক কাৰ্টেল❉বজাৰ বিভাজন ভিত্তিক কাৰ্টেল❉অপূৰ্ণ সংঘীয় স্বল্পবিক্ৰেতা❉প্ৰভূত্ববিস্তাৰ কৰা দৰ নেতৃত্ব❉তুল্যমান দৰ নেতৃত্ব❉নিম্নব্যয় বিশিষ্ট প্ৰতিষ্ঠানৰদ্বাৰা দ[illegible] নেতৃত্ব❉প্ৰভূত্ব বিস্তাৰ কৰা প্ৰতিষ্ঠানৰ দ্বাৰা দৰ নেতৃত্ব❉দ্বি-বিক্ৰেতাবিশিষ্ট বজাৰ/দ্বায়ধিকা[illegible] [illegible]জাৰ❉ কাৰ্ণটৰ দ্বি বিক্ৰেতা বজাৰৰ [illegible]আৰ্হি❉ সংক্ষিপ্ত ব্যাখ্যা❉কাৰ্ণটৰ আৰ্হিৰ আধুনিক ব্যাখ্যা❉মূল্যায়ন❉অন্যান্য ব্যাখ্যা❉প্ৰশ্নাৱলী

**ব্যষ্টি - ৪**

১৮৫ - ৩০০

## উপাদানৰ দৰ নিৰ্ধাৰণ তত্ত্ব

❉পটভূমি❉বিতৰণৰ প্ৰান্তীয় উৎপাদনশীলতা তত্ত্ব❉পাতনি❉গড় উৎপাদিকা শক্তি❉প্ৰান্তীয় উৎপাদিকা শক্তি❉ উপাদানৰ বজাৰত ভাৰসমতা❉ প্ৰান্তীয় উৎপাদনশীলতা তত্ত্বৰ ব্যাখ্যা❉বৈশিষ্ট্য❉অভিধাৰণা❉সমালোচনা❉ইউলাৰৰ উপপাদ্য / উৎপাদন নিঃশেষী তত্ত্ব / যোগাত্মক সমস্যা❉ইউলাৰৰ উপপাদ্য কি❉ইউলাৰ উপপাদ্যৰ সহায়ত উৎপাদন নিঃশেষী তত্ত্বৰ ব্যাখ্যা❉উইক্‌ষ্টিডৰ সমিধান❉অভিধাৰণা❉প্ৰমাণ❉চিত্ৰীয় উপস্থাপন❉ৱালৰাছ আৰু ৱিকছেলৰ সমালোচনা❉ব্যৱহাৰিক গুৰুত্ব❉খাজনা নিৰ্দ্ধাৰণ তত্ত্ব❉অৰ্থ❉সংজ্ঞা❉চুক্তিবদ্ধ খাজনা আৰু আৰ্থিক খাজনা❉ৰিকাৰ্ডৰ খাজনা তত্ত্ব❉সংজ্ঞা❉খাজনা কেনেকৈ উদ্ভৱ হয়?❉অনুমিত চৰ্ত❉ ব্যাখ্যা❉পাৰ্থক্যজনিত খাজনা❉ সম্প্ৰসাৰিত কৃষি ব্যৱস্থা❉ নাটনিমূলক খাজনা❉ সমালোচনা❉ খাজনাৰ আধুনিক তত্ত্ব❉ ভূমিৰ যোগান আৰু চাহিদাৰ দিশৰ পৰা❉স্থানান্তৰিত ব্যয়ৰ ওপৰিঞ্চি হিচাপে খাজনা❉অন্যান্য উপাদানৰ উপাৰ্জনত খাজনাৰ সংযোগ❉সদৃশ খাজনা❉খাজনা আৰু সদৃশ খাজনাৰ পাৰ্থক্য❉খাজনা বনাম দৰ❉ৰিকাৰ্ড'ৰ মত❉আধুনিক দৃষ্টিভংগী❉সামৰ্থজনিত খাজনা❉অৱস্থানজনিত খাজনা❉খাজনা আৰু অনুপাৰ্জিত আয়❉ কৰ বনাম খাজনা❉ মজুৰি হাৰ নিৰ্দ্ধাৰণ তত্ত্ব❉ অৰ্থ❉ মূল্যস্তৰ বা মুদ্ৰাৰ ক্ৰয় ক্ষমতা❉মুদ্ৰামজুৰিৰ আকাৰ❉পৰিপূৰক আয়❉সংস্থানৰ প্ৰকৃতি❉কৰ্ম সময়❉কাম কৰাৰ পৰিবেশ❉বৃত্তিগত ব্যয়❉বৃত্তিগত প্ৰশিক্ষণ❉পদোন্নতিৰ আশা❉সামাজিক মৰ্যাদা❉উপকৰণ সা-সুবিধাৰ পৰিমাণ❉ শ্ৰমিক-মালিকৰ সম্পৰ্ক❉ পৃথক মজুৰি তত্ত্বৰ কাৰণ❉শ্ৰম বজাৰৰ বৈশিষ্ট্য❉নিম্নতম ভৰণ-পোষণ তত্ত্ব❉মজুৰি নিধি তত্ত্ব❉মজুৰি নিৰ্দ্ধাৰণৰ প্ৰান্তীয় উৎপাদনশীলতা তত্ত্ব❉শ্ৰমৰ যোগান❉শ্ৰমৰ চাহিদা❉শ্ৰমৰ চাহিদাৰ অন্যান্য নিৰূপক❉দ্ৰব্যৰ চাহিদা❉শ্ৰমৰ বস্তুগত প্ৰান্তীয় উৎপাদিকা শক্তি❉আন উপাদানৰ দৰ❉বিভিন্ন বজাৰ পৰিস্থিতিত মজুৰি আৰু নিয়োগ নিৰূপণ❉শ্ৰম আৰু দ্ৰব্য উভয় বজাৰতে পূৰ্ণ প্ৰতিযোগিতা থকা অৱস্থাত❉দ্ৰব্যৰ বজাৰত অপূৰ্ণ প্ৰতিযোগিতা (একাধিকাৰ বজাৰ) আৰু শ্ৰমৰ বজাৰত❉পূৰ্ণ প্ৰতিযোগিতা থকা অৱস্থাত❉দ্ৰব্যৰ বজাৰত পূৰ্ণ প্ৰতিযোগিতা আৰু শ্ৰমৰ বজাৰত অপূৰ্ণ প্ৰতিযোগিতা (একক বিক্ৰেতা)থকা অৱস্থাত❉শ্ৰম আৰু দ্ৰব্য উভয় বজাৰতে অপূৰ্ণ প্ৰতিযোগিতা থকা অৱস্থাত(শ্ৰমৰ বজাৰত একক ক্ৰেতা আৰু দ্ৰব্যৰ বজাৰত একক বিক্ৰেতা বজাৰ থকা অৱস্থাত)❉দ্বিপাক্ষিক একাধিকাৰ বজাৰ❉শোষণ তত্ত্ব❉পিগু আৰু ৰবিন্‌ছনৰ শোষণৰ ধাৰণা❉শ্ৰম আৰু দ্ৰব্য উভয় বজাৰতে পূৰ্ণ প্ৰতিযোগিতা থকা অৱস্থাত❉শ্ৰমৰ বজাৰত পূৰ্ণ প্ৰতিযোগিতা আৰু দ্ৰব্যৰ বজাৰত অপূৰ্ণ প্ৰতিযোগিতা থকা অৱস্থাত❉শ্ৰম আৰু দ্ৰব্য উভয় বজাৰতে অপূৰ্ণ প্ৰতিযোগিতা থকা অৱস্থাত❉চেম্‌বাৰলিনৰ শোষণৰ ধাৰণা ❉সামুহিক দৰাদৰি /মজুৰি নিৰ্দ্ধাৰণত শ্ৰমিক সংঘৰ প্ৰভাৱ❉পৰম্পৰাগত মজুৰিতত্ত্ব আৰু সামুহিক দৰাদৰি❉নিম্নতম ভৰণপোষণ তত্ত্ব❉শ্ৰম আৰু দ্ৰব্য উভয় বজাৰত পূৰ্ণ প্ৰতিযোগিতা থকা অৱস্থাত সামুহিক দৰাদৰি❉শ্ৰমৰ বজাৰত অপূৰ্ণ প্ৰতিযোগিতা আৰু দ্ৰব্যৰ বজাৰত পূৰ্ণপ্ৰতিযোগিতা থকা অৱস্থাত সামুহিক দৰাদৰি❉শ্ৰমৰ বজাৰত পূৰ্ণ প্ৰতিযোগিতা আৰু দ্ৰব্যৰ বজাৰত অপূৰ্ণ প্ৰতিযোগিতা থকা অৱস্থাত সামুহিক দৰাদৰি❉শ্ৰম আৰু দ্ৰব্য উভয় বজাৰত অপূৰ্ণ প্ৰতিযোগিতা থকা অৱস্থাত সামুহিক দৰাদৰি❉নিম্নতম মজুৰি❉নিম্নতম মজুৰি নিৰ্দ্ধাৰণ কৰাটো যুক্তি সংগতনে?❉মজুৰি ভিন্নতাৰ কাৰণ❉সুদৰ হাৰ নিৰ্দ্ধাৰণ তত্ত্ব❉ভূমিকা❉সংজ্ঞা❉মুঠ সুদ আৰু শুদ্ধ/নিগুটি সুদ❉ভোগ সংযম বা ভোগ অপেক্ষাৰ পুৰস্কাৰ হিচাপে সুদৰ হাৰ❉Bohm Bawerk-ৰ ব্যাখ্যা❉Fisher- ৰ ধাৰণা❉সুদ কিয় পৰিশোধ কৰা হয়?❉ সংস্থাপনবাদী সুদ নিৰ্দ্ধাৰণ তত্ত্ব❉ সমালোচনা❉ নব্যসংস্থাপনবাদী ঋণযোগ্য পুঁজি তত্ত্ব❉ ঋণযোগ্য পুঁজিৰ যোগান❉ ঋণযোগ্য পুঁজিৰ চাহিদা❉ সুদৰ হাৰ নিৰ্দ্ধাৰণ❉সমালোচনা❉ঋণযোগ্য পুঁজি তত্ত্ব সংস্থাপনবাদী তত্ত্বতকৈ উন্নতনে?❉তাৰল্য প্ৰীতি তত্ত্ব❉মুদ্ৰাৰ চাহিদা❉নগদ লেনদেন অভিপ্ৰায়❉সতৰ্কতাজনিত অভিপ্ৰায়❉ব্যৱসায় জনিত অভিপ্ৰায়❉মুদ্ৰাৰ যোগান❉সুদৰ হাৰ নিৰ্দ্ধাৰণ❉পূৰ্বৰ তত্ত্বতকৈ তাৰল্য প্ৰীতি তত্ত্ব উন্নতনে ?❉ সমালোচনা❉ সংস্থাপনবাদী তত্ত্ব, ঋণযোগ্য পুঁজি তত্ত্ব আৰু কেইন্‌ছীয় তত্ত্বৰ অনিৰ্দ্ধাৰণীয়তা❉ মুনাফা তত্ত্ব❉ ভূমিকা❉ সংজ্ঞা❉ মুনাফাৰ প্ৰকাৰ❉ স্থূল মুনাফা❉ শুদ্ধ মুনাফা❉স্বাভাৱিক আৰু অস্বাভাৱিক/অতি স্বাভাৱিক মুনাফা❉স্বাভাৱিক মুনাফা❉অস্বাভাৱিক বা অতি স্বাভাৱিক মুনাফা❉একচেটিয়া মুনাফা❉মুনাফাৰ পকৃতি❉মুনাফা নিৰ্দ্ধাৰণ তত্ত্ব❉মুনাফা নিৰ্দ্ধাৰণৰ খাজনা তত্ত্ব❉সমালোচনা❉মুনাফা নিৰ্দ্ধাৰণৰ মজুৰি তত্ত্ব❉সমালোচনা❉মুনাফা নিৰ্দ্ধাৰণৰ প্ৰান্তীয় উৎপাদনশীলতা তত্ত্ব❉ মুনাফা নিৰ্দ্ধাৰণৰ গতিশীল তত্ত্ব❉সমালোচনা❉Schumpeter-ৰ নতুনত্ব প্ৰৱৰ্তন তত্ত্ব : Schumpeter's Theory of Innovation❉ সমালোচনা❉ ক্ষতিশংকা বহন তত্ত্ব❉ সমালোচনা❉ অনিশ্চয়তা বহন তত্ত্ব❉ সমালোচনা❉ আধুনিক তত্ত্ব❉ উদ্যোক্তাৰ চাহিদা❉ উদ্যোক্তাৰ যোগান❉ মুনাফা নিৰ্দ্ধাৰণ❉মুনাফাৰ ভূমিকা❉প্ৰশ্নাৱলী

## সাধাৰণ ভাৰসাম্য আৰু অৰ্থনৈতিক দক্ষতা

৩০১ - ৩৩৪

❉ পটভূমি❉ ৱালৰাছীয় সাধাৰণ ভাৰসাম্য❉ লিঅ'নথিফৰ সাধাৰণ ভাৰসাম্য বিশ্লেষণ❉সামাজিক কল্যাণৰ সম্পৰ্কত সাধাৰণ ভাৰসাম্যৰ বিশ্লেষণ❉সমষ্টিগত দৃষ্টিকোণৰ পৰা সাধাৰণ ভাৰসাম্যৰ বিশ্লেষণ❉সাধাৰণ ভাৰসাম্যৰ বৈশিষ্ট্য বা ধৰ্ম❉অৰ্থনৈতিক দক্ষতাৰ ধৰ্ম❉সামাজিক কল্যাণ সৰ্বাধিকৰণৰ প্ৰাথমিক চৰ্ত❉সামাজিক কল্যাণ সৰ্বাধিকৰণৰ গৌণ চৰ্ত❉ভাৰসাম্যৰ অস্তিত্ব একাকীত্ব, আৰু স্থিৰতা❉সাধাৰণ ভাৰসাম্যৰ প্ৰসংগত দ্ৰব্য আৰু উপাদানৰ বজাৰৰ পৰস্পৰ নিৰ্ভৰশীলতা❉অৰ্থনৈতিক দক্ষতাৰ প্ৰসংগত/উপস্থিতিত সাধাৰণ ভাৰসাম্য ❉উৎপাদনৰ সাধাৰণ ভাৰসাম্য বা উপাদানৰ দক্ষতাপূৰ্ণ বিতৰণ❉উৎপাদন আৰু ভোগৰ যৌথ / সাধাৰণ ভাৰসাম্য❉পূৰ্ণপ্ৰতিযোগিতামূলক বজাৰৰ অৰ্থনৈতিক দক্ষতা❉ বিকল্প ব্যাখ্যা❉ মন্তব্য❉ বজাৰ প্ৰক্ৰিয়াৰ ব্যৰ্থতা❉ বজাৰ অসম্পূৰ্ণতা❉ ৰাজহুৱা দ্ৰব্যৰ উপস্থিতি❉বাহ্যিকতাৰ উপস্থিতি❉সম্পত্তিৰ উমৈহতীয়া মালিকীস্বত্বৰ উপস্থিতি❉প্ৰশ্নমালা

ব্যষ্টি
১.১

# প্ৰতিষ্ঠান আৰু উদ্যোগ, বজাৰ গাঁথনি আৰু সমতা-ভংগ বিন্দু

# Firm & Industry, Market Structure and Break-even Point

## ভূমিকা : Introduction

অৰ্থবিজ্ঞান হ'ল মূলতঃ অৰ্থনৈতিক সমস্যা আৰু এই সমস্যা সমাধানৰ বাবে মানুহে ব্যক্তিগতভাবে বা সামাজিকভাবে কৰা আচৰণৰ অধ্যয়ন। এই আচৰণ প্ৰকাশ পায় মূল্য নিৰ্ধাৰণ প্ৰক্ৰিয়াৰ মাজেৰে। গতিকে অৰ্থনৈতিক অধ্যয়নৰ মূল বিষয়বস্তু হ'ল মূল্য নিৰ্ধাৰণ। মূল্য আকৌ দুটা পৰ্যায়ত নিৰ্ধাৰণ হ'ব পাৰে - ব্যক্তিগত বা ব্যষ্টিগত আৰু সামুহিক বা সমষ্টিগত পৰ্যায়ত। প্ৰথমটোৱে কোনো এবিধ দ্ৰব্য, সেৱা বা উপাদানৰ মূল্য নিৰ্ধাৰণৰ লগত জড়িত আৰু দ্বিতীয়বিধ দেশ এখনৰ সামুহিক আয় তথা জাতীয় আয় নিৰ্ধাৰণৰ লগত জড়িত। এই দিশৰ পৰা অৰ্থবিজ্ঞানক দুটা শাখাত বিভক্ত কৰা হৈছে - ব্যষ্টিগত অৰ্থবিজ্ঞান আৰু সমষ্টিগত অৰ্থবিজ্ঞান। প্ৰথমবিধৰ মূল বিষয়বস্তু হ'ল দ্ৰব্য আৰু উপাদানৰ দৰ নিৰ্ধাৰণ আৰু দ্বিতীয়বিধৰ মূল বিষয়বস্তু হ'ল জাতীয় আয়ৰ বিশ্লেষণ।

ইতিমধ্যে উল্লেখ কৰা হৈছে যে ব্যষ্টিগত অৰ্থবিজ্ঞানৰ মূল বিষয়বস্তু হ'ল দৰ নিৰ্ধাৰণ বা মূল্য নিৰ্ধাৰণ প্ৰক্ৰিয়া। এই মূল্য নিৰ্ধাৰণ প্ৰক্ৰিয়া দুখন বজাৰত বিভক্ত - দ্ৰব্যৰ বজাৰ আৰু উপাদানৰ বজাৰ। বজাৰ হ'ল চাহিদা আৰু যোগানৰ মাজত হোৱা সমন্বয় সাধন প্ৰক্ৰিয়া বা সমাযোজন প্ৰক্ৰিয়া। চাহিদা আৰু যোগানৰ বিষয়ে ইতিমধ্যে ব্যষ্টিগত অৰ্থবিজ্ঞানৰ প্ৰথম খণ্ডৰ বিভিন্ন অধ্যায়ত আলোচনা কৰা হৈছে। এই খণ্ডত দ্ৰব্যৰ বজাৰ আৰু উপাদানৰ বজাৰৰ বিভিন্ন ভাগ আৰু ইয়াৰ লগত জড়িত তত্ত্বসমূহৰ বিষয়ে আলোচনা কৰা হ'ব। (এই খণ্ডৰ কথাবোৰ খৰচি মাৰি বুজি পাবলৈ ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম খণ্ডত আলোচনা কৰা চাহিদা, যোগান, উৎপাদন ব্যয় আৰু বিক্ৰি আয় - এই চাৰিটা বিষয় আকৌ এবাৰ চকু ফুৰাই মনত পেলাই লোৱা উচিত।)

উল্লেখযোগ্য যে দ্ৰব্য এবিধৰ বজাৰত দৰ কেতিয়া নিৰ্ধাৰণ হয় বা মুঠ উৎপাদনৰ পৰিমাণ কিমান হয় সেয়া জানিবলৈ বজাৰখনৰ ভাৰসাম্য অৱস্থা জনাটো প্ৰয়োজন। বজাৰৰ ভাৰসাম্য অৱস্থাৰ লগত সংগতি ৰাখি ইয়াত জড়িত হৈ থকা প্ৰতিষ্ঠান এখনে হ্ৰস্বকাল আৰু দীৰ্ঘকালত কি দৰত কি পৰিমাণৰ উৎপাদনৰ সিদ্ধান্ত আৰু ইয়াৰ বিপৰীতে উপাদান প্ৰয়োগৰ সিদ্ধান্ত গ্ৰহণ কৰে সেই বিষয়ে জানিবলৈ প্ৰতিষ্ঠানখনৰ ভাৰসাম্যও চিনাক্ত কৰিবলগীয়া হয়। দ্ৰব্য বা উপাদানৰ প্ৰকৃতি সলনি হ'লে প্ৰতিষ্ঠানৰ আচৰণ সলনি হয়। সেয়ে হ'লেও ভাৰসাম্যৰ মূল চৰিত্ৰ সকলো বজাৰ বা সকলো প্ৰতিষ্ঠানৰ বাবে একে। সেয়ে দ্ৰব্যৰ বজাৰ বা উপাদানৰ বজাৰৰ বিষয়ে অধ্যয়ন কৰিবলৈ যোৱাৰ পূৰ্বে প্ৰতিষ্ঠান এখনে কেতিয়া ভাৰসাম্য লাভ কৰে বা বজাৰত কেতিয়া ভাৰসাম্যৰ উদ্ভৱ তাৰ লগত জড়িত মৌলিক চৰ্ত সমূহ চিনাক্ত কৰাটো বাঞ্চনীয়। এনে এক